কৰ্মসংস্থান সুবিধা বাঢ়িছে। এনেয়ে কৃষিখণ্ডত নিয়োজিত হৈ থকা শ্ৰমিকসকলে কৃষি উন্নয়ন কৰিবলৈ সমৰ্থ হৈছে।

দেশ এখনৰ অৰ্থনৈতিক উন্নয়নৰ বাবে মূলধনৰ আৰু দক্ষতা সম্পন্ন শ্ৰমিক প্ৰয়োজন হয়। সেৱামূলক সুবিধা আৰু কৰ্মসংস্থানৰ সুবিধা নথকাৰ বাবে ভাৰতত দুয়োটাৰ অভাৱ। পৰিকল্পনাৰ অন্তৰ্ভুক্ত সেৱামূলক কাৰ্যৰ যোগে শিক্ষানুষ্ঠান, প্ৰশিক্ষণ কেন্দ্ৰ আদি খুলি দক্ষতাসম্পন্ন শ্ৰমিক সৃষ্টি কৰিব পাৰি। পৰিকল্পনা গ্ৰহণ কৰাৰ পিছত এই অভাৱসমূহ ক্ৰমান্বয়ে অহা দেখা গৈছে।

অপৰ্যাপ্ত প্ৰাকৃতিক সম্পদ থকা সত্বেও এইবিলাকৰ সুদক্ষ ব্যৱহাৰ ভাৰতত হোৱা নাছিল। পৰিকল্পনা গ্ৰহণৰ পিছত এই সম্পদসমূহৰ উন্নয়নমূলক ব্যৱহাৰ হৈছে।

অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰয়োজনীয় সকলো দিশৰ সমতাপূৰ্ণ বিকাশৰ বাবে উপযুক্ত পৰিকল্পনাৰ প্ৰয়োজন। ভাৰতত উপৰোক্ত দিশবিলাকৰ বাবেই পৰিকল্পনা আৱশ্যক।

**ভাৰতীয় পৰিকল্পনাৰ মূল লক্ষ্যসমূহ** ( Main-objectives of Planning in India ) : ভাৰতীয় অৰ্থনীতিয়ে অৰ্থনৈতিক উন্নয়নৰ বাবে স্বাধীনতাৰ আগৰে পৰাই বিশেষ প্ৰচেষ্টা চলাব লগা হৈছিল। স্বাধীনতাৰ পিছত সামাজিক আৰু অৰ্থনৈতিক গুৰুত্বসমূহ যথাযথভাৱে সমন্বিত কৰি সামগ্ৰিক অৰ্থনৈতিক বিকাশৰ চেষ্টা চলোৱা হৈছিল। ইয়াৰ বাবে অৰ্থনৈতিক পৰিকল্পনাক বিশেষ উপায় ৰূপে গণ্য কৰা হৈছিল। কিছুমান বিশেষ উদ্দেশ্যক সৰোগত কৰি পৰিকল্পনাৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। প্ৰত্যেক খন পৰিকল্পনাৰ উদ্দেশ্য আৰু লক্ষ বেলেগ বেলেগ। বহুলভাৱে এই লক্ষসমূহ অৰ্থনৈতিক উন্নয়ন আৰু ইয়াৰ বাবে জাতীয় আয় বৃদ্ধি কৰা, আত্ম নিৰ্ভৰশীলতা, পূৰ্ণ নিয়োগ, আধুনিকতা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা কৰা।

**মুখ্য লক্ষ্যসমূহ** ( Main objectives ) : ভাৰতীয় পৰিকল্পনাৰ মূল লক্ষ্যসমূহ তলত দিয়াৰ দৰে আলোচনা কৰিব পাৰি।

১. **উচ্চ বৃদ্ধিৰ হাৰ :** জাতীয় আয় আৰু জনমূৰী আয় বৃদ্ধি কৰা ভাৰতীয় পৰিকল্পনাৰ প্ৰথম লক্ষ্য। অৰ্থনীতিখন জনমূৰী আয় বৃদ্ধি কৰিবলৈ জনসংখ্যাতকৈ উৎপাদন বৃদ্ধিৰ ত্বৰান্বিত কৰিব লাগিব উৎপাদন বৃদ্ধিৰ বাবে—

(i) কৃষিখণ্ড উন্নত কৰিব লাগিব। ইয়াৰ বাবে জলসিঞ্চন, সাৰ, কীটনাশক দ্ৰব্য, উন্নত বজাৰ ব্যৱস্থা কৰিব লাগিব।

(ii) উদ্যোগিক খণ্ডৰ বিকাশত সহায় কৰিব লাগিব। ইয়াৰ বাবে ৰাজহুৱা খণ্ডৰ ব্যয় বৃদ্ধি, ব্যক্তিগত খণ্ডক সাহায্য

পঞ্চবাৰ্ষিক পৰিকল্পনাত কৃষি আৰু উদ্যোগ খণ্ডৰ বিকাশৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰি গুৰুত্ব দিয়া হৈছে।

ভাৰতৰ প্ৰথম পৰিকল্পনাৰ ১১% জাতীয় আয় বৃদ্ধিৰ লক্ষ্যৰ বিপৰীতে ১৮% জাতীয় আয় বৃদ্ধি হৈছিল। যদিও দ্বিতীয় পৰিকল্পনাত ২৫% জাতীয় আয় বৃদ্ধিৰ লক্ষ্য লোৱা হৈছিল এই পৰিকল্পনাত মাত্ৰ ৪% জাতীয় আয় বৃদ্ধি হৈছিল। একেদৰে পৰৱৰ্তী পৰিকল্পনাসমূহ জাতীয় আয় বৃদ্ধিৰ ক্ষেত্ৰত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰিব পৰা নাছিল। তৃতীয় পৰিকল্পনাত ১১.৫%, চতুৰ্থ পৰিকল্পনাত ৩.৪%, নতুন ষষ্ঠ পৰিকল্পনাত ৫.২%, সপ্তম পৰিকল্পনাত ৫.৮% জাতীয় আয় বৃদ্ধি হৈছিল। অষ্টম পৰিকল্পনাত ৫.৬% জাতীয় আয় বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে।

২। **আয় আৰু বিনিয়োগ অনুপাত বৃদ্ধি** (Raising investment income ratio)**:** এক নিৰ্দিষ্ট সময়ত পৰিকল্পিত বিনিয়োগৰ হাৰৰ যোগে আয়ৰ অনুপাতত প্ৰকৃত বিনিয়োগৰ হাৰ বৃদ্ধি কৰা গুৰুত্বপূৰ্ণ কথা। এই ধৰণৰ বিনিয়োগে উৎপাদন বৃদ্ধি কৰে। ইয়াৰউপৰি অৰ্থনীতিটোৰ মূলধনৰ পৰিমাণ বৃদ্ধি কৰে যি ভৱিষ্যত উৎপাদন সামৰ্থ নিশ্চিত কৰে। এই লক্ষ্যত উপনিত হব নোৱাৰিলে অৰ্থনীতিটোত হ্ৰস্বকালিন দীৰ্ঘকালিন প্ৰভাৱ পেলায়।

দেশখনৰ উৎপাদন সামৰ্থত বিনিয়োগ বৃদ্ধিয়ে সঞ্চয়ৰ পৰিমানো বৃদ্ধি কৰে। অনুৎপাদন দিশত বিনিয়োগ কৰিলে সঞ্চয় বৃদ্ধি নহয় আৰু দৰিদ্ৰতা দুৰিকৰণো আশা কৰি নোৱাৰি। সেয়ে পৰিকল্পিত বিনিয়োগ হাৰৰ লক্ষ্যত উপনিত হবলৈ আশা কৰিব লাগে আৰু ই জাতীয় আয়ৰ স্তৰে বৃদ্ধি কৰে।

৩। **সামাজিক ন্যায়** (Social justice)**:** ভাৰতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অন্য এটি গুৰুত্বপূৰ্ণ লক্ষ্য হ'ল সমাজত দুৰ্বল শ্ৰেণীৰ জনসাধাৰণলৈ আৰু সকলোৰে পক্ষে সামাজিক ন্যায় প্ৰদান কৰা। সামাজিক ন্যায় হ'ল আয়ৰ অসমতা দুৰ কৰা আৰু দৰিদ্ৰতা দুৰ কৰা। আমাৰ পৰিকল্পনাসমূহত এই লক্ষ্যত বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে।

ভাৰতত আয় আৰু সম্পদ বণ্টনৰ ক্ষেত্ৰত ব্যাপক বৈষম্য পৰিলক্ষিত হয়। এনে অসমতা গণতান্ত্ৰিক দেশ এখনৰ বাবে গ্ৰহণযোগ্য নহয়। আমাৰ পৰিকল্পনাকাৰ সকলে 'গণতান্ত্ৰিক সমাজবাদ' প্ৰতিষ্ঠা আৰু বৈষম্যহীন সমাজ প্ৰতিষ্ঠাত গুৰুত্ব দি আহিছে। দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা লোকসকলৰ জীৱনধাৰণৰ মানদণ্ড উন্নত কৰণত গুৰুত্ব দিছে।

যদিও সামাজিক ন্যায় প্ৰতিষ্ঠাৰ লক্ষ্যত প্ৰতিখন পৰিকল্পনাতে গুৰুত্ব দিয়া হৈছে,

ভাৰতীয় অৰ্থনীতিত এই দিশত বিশেষ সাফল্য লাভ কৰিব পৰা নাই। এতিয়াও মুষ্টিমেয় শ্ৰেণীৰ মাজত সম্পদ পুঞ্জীভূত হৈ আছে, কৃষিভূমি আছে। সেয়েহে এই ক্ষেত্ৰত ব্যাপক পৰিবৰ্তনৰ প্ৰয়োজন আছে।

৪। **দৰিদ্ৰতা দূৰীকৰণ (Removal of Poverty):** ভাৰতীয় অৰ্থনীতিত দৰিদ্ৰতা এক গুৰুত্বপূৰ্ণ বিষয়। বৃহৎ সংখ্যক জনসাধাৰণ দৰিদ্ৰতাৰ সীমাৰ তলত বসবাস কৰা। সেয়েহে ভাৰতীয় পৰিকল্পনাত দৰিদ্ৰতা দূৰীকৰণ বিষয়টোক বিশেষ প্ৰাধান্য দিব লগ হৈছিল। প্ৰথম চাৰিটা পৰিকল্পনাৰ অন্তত লক্ষ্য কৰা হৈছিল যে ইতিমধ্যে গ্ৰহণ কৰা উন্নয়নমূলক আঁচনিসমূহৰ সুফল সমানে বিতৰণ হোৱা নাই আৰু দৰিদ্ৰতা দূৰীকৰণৰ ক্ষেত্ৰটো বিশেষ সুফল লাভ কৰিব পৰা নাই। সেয়েহে পঞ্চম পৰিকল্পনাৰ পিছ পৰা এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছিল। এই ক্ষেত্ৰত ন্যূনতম প্ৰয়োজন আঁচনি (Minimum needs programme), সমন্বিত গ্ৰাম্য বিকাশ কাৰ্যসূচী (Integrated Rural Development Programme), ৰাষ্ট্ৰীয় গ্ৰাম্য উন্নয়ন কাৰ্যসূচী (National Rural Employment Programme) ইয়াৰউপৰি শুকান অঞ্চল কৰ্মসূচী (Drough Prove Areas Programme) মৰুভূমি উন্নয়ন কাৰ্যসূচী (DPP), ক্ষুদ্ৰ কৃষক উন্নয়ন সংস্থা, প্ৰান্তীয় কৃষক আৰু কৃষি শ্ৰমিক সংস্থা (SFDA / MFALA), জৱাহৰ ৰোজগাৰ যোজনা (JRY), প্ৰধানমন্ত্ৰী ৰোজগাৰ যোজনা (PRY) ইত্যাদি ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ যোগে দৰিদ্ৰতা নিৰ্মূলৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা হৈছে।

দৰিদ্ৰতা বিমোচনৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে ইয়াৰ ফলত দৰিদ্ৰতা সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা যথেষ্ট কমিছে। ১৯৮৯-৯০ বৰ্ষত ৩৭%ৰ পৰা ২৬% লৈ এই পৰিমাণ কমিছে।

৫। **পূৰ্ণ নিয়োগ (Full Employment):** পিছপৰা দেশসমূহত নিয়োগ-হীনতা সমস্যাটো যথেষ্ট জটিল সমস্যা। যদিও ভাৰতীয় অৰ্থনীতি ক্ৰমোন্নত অৰ্থনীতিৰ শাৰীলৈ উঠিছে তথাপিও নিবনুৱা সমস্যাই ভয়ংকৰ ৰূপ লৈ আছে। সেয়েহে ভাৰতীয় পৰিকল্পনাৰ নিয়োগ হীনতাৰ সমস্যা দূৰ কৰি পূৰ্ণ নিয়োগ স্তৰ লাভ কৰিবলৈ লক্ষ্য লব লগা হৈছে।

যদিও পূৰ্ণ নিয়োগ স্তৰ লাভ কৰা সম্ভৱ নহয় তথাপি পৰিকল্পনাৰ আঁচনিসমূহত নিয়োগ বৃদ্ধিৰ বাবে বিশেষ ব্যৱস্থা লোৱা বাঞ্ছনীয়। IRDP, NREP ইত্যাদি কাৰ্য-সূচীৰ সুদক্ষ ব্যৱহাৰে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

৬। **কৃষি উৎপাদন, উৎপাদক সামগ্ৰিৰ প্ৰস্তুত সামৰ্থ আৰু বাণিজ্যিক**

**সমতা স্থানৰ ক্ষেত্ৰত থকা সমস্যাসমূহৰ দূৰীকৰণ :** বিভিন্ন পৰিকল্পনাত এই তিনিটা ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাসমূহ দূৰীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ভাৰতীয় দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত মহালনবিচ আৰ্হিত (Mahalanobis Model) মুখ্য লক্ষ্য নিৰ্দ্ধাৰণ কৰিছিল এনে কিছুমান উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ যাৰ যোগে দেশখনৰ উদ্যোগিক উন্নতি হব। ইয়াৰউপৰি কৃষি উৎপাদন বৃদ্ধি আৰু বাণিজ্যিক অসমতা দুৰিকৰণৰ বাবে বিভিন্ন পদক্ষেপ পৰিকল্পনাসমূহত গ্ৰহণ কৰা হৈছে।

৭। **আত্ম নিৰ্ভৰশীলতা** (Self Reliance) **:** ভাৰতীয় পৰিকল্পনাত আন এটা উল্লেখযোগ্য লক্ষ্য হ'ল আত্ম নিৰ্ভৰশীলতা অৰ্জন কৰা, প্ৰথম দুটা পৰিকল্পনাত পুনৰসংস্থাপন আৰু গুৰুত্বপূৰ্ণ উদ্যোগ প্ৰতিষ্ঠা, অৰ্থ নৈতিক বুনিয়াদ গঢ়া ইত্যাদি বিষয়ত মনোযোগ দিয়াৰ বাবে এই লক্ষ্যত গুৰুত্ব দিয়া হৈছিল। চতুৰ্থ পৰিকল্পনাত এই বিষয়ত গুৰুত্ব দিয়া হৈছিল "dependence on foreign aid, will be greatly reduced in the course of the fourth plan. It is planned to do away with concessional import, of foodgeains under PL—480. Foreign aid net of debt charges and interest Payment will be reduced to about half by the end of the fourth plan compared to the current level."

অৱশ্যে এই ক্ষেত্ৰত ভাৰতীয় অৰ্থনীতিয়ে ভাল ফল দেখুৱাব পৰা নাই বিভিন্ন সমস্যাৰ বাবে আত্ম নিৰ্ভৰশীলতাৰ লক্ষ্যও উপনিত হোৱা যথেষ্ট জটিল হৈছে।

৮। **আধুনিকীকৰণ** (Modernisation) **:** ভাৰতীয় পৰিকল্পনাত আধুনিকীকৰণ লক্ষ্যটো ষষ্ঠ পৰিকল্পনাত প্ৰথম অনা হৈছে। সাধাৰণ অৰ্থত আধুনিকীকৰণ মানে প্ৰযুক্তি কৌশলক সময়ৰ লগত মিলোৱা। কৃষিখণ্ডত এই ক্ষেত্ৰত বিশেষ পৰিৱৰ্তন সাধন কৰা হৈছিল। উচ্চ উৎপাদনক্ষম বীজৰ ব্যৱহাৰ বৃদ্ধি হৈছিল। ৰাসায়নিক সাৰৰ ব্যৱহাৰৰ পৰিমাণ যথেষ্ট বৃদ্ধি হৈছিল। একেদৰে জলসিঞ্চন ব্যৱস্থাৰ যথেষ্ট সম্প্ৰসাৰণ হৈছিল। একেদৰে উদ্যোগিক খণ্ডতো পুৰণা কৌশলৰ পৰিৱৰ্তন ঘটাই নতুনত্ব অনা হৈছিল। সপ্তম আৰু অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাতো আধুনিকীকৰণ লক্ষ্যত গুৰুত্ব দিয়া হৈছে।

**সামৰণি :**

ওপৰৰ আলোচনাত ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহৰ গ্ৰহণ কৰা লক্ষ্যসমূহ ... ভাৰতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত